**2018**

# ASSAMESE

## ASM : 3.05

## ASSAMESE FICTIONAL LITERATURE

Full Marks : 80

Time : 3 Hours

***The figures in the margin indicates full marks for the questions :***

1. উত্তৰ লিখা ঃ 1x10=10

ক) হেমচন্দ্ৰ বৰুৱাৰ 'বাহিৰে ৰংচং ভিতৰি কোৱাভাতুৰী' কোন চনত প্ৰকাশ পাইছিল?

খ) ৰেৱতীমোহন দত্ত চৌধুৰীয়ে কি ছদ্মনামেৰে উপন্যাস ৰচনা কৰিছিল?

গ) 'Aspect of the Novel' ৰ প্ৰণেতা কোন?

ঘ) মেৰী এফ লৰেন্সৰ 'ফুলমণি আৰু কৰুণা' উপন্যাসখন কি ভাষাৰ উপন্যাসৰ ভাঙনি?

ঙ) মামনি ৰয়ছম গোস্বামীৰ গৱেষণাৰ বিষয়বস্তু কি আছিল?

চ) 'Sons and Lovers' উপন্যাসখন কাৰদ্বাৰা ৰচিত?

ছ) 'Woman and Fiction' ৰচনাখন কাৰদ্বাৰা ৰচিত?

জ) 'ভাৰগু পখীৰ জাক' অসমৰ কোনটো জনগোষ্ঠীক লৈ লিখা উপন্যাস?

ঝ) 'ডাৱৰ আৰু নাই' উপন্যাসখনৰ পটভূমি কি?

ঞ) 'আমেৰিকাক বিচাৰি' উপন্যাসখন কোনচনত প্ৰকাশ হৈছিল?

2. চমুকৈ উত্তৰ লিখা ঃ 1x10=10

ক) 'মাধৱদেৱৰ জীৱনৰ আধাৰত ৰচিত দুখন উপন্যাসৰ নাম লিখা।

খ) অসমীয়া উপন্যাস ৰচনা কৰা দুজন অৰুণাচলী উপন্যাসিকৰ নাম লিখা।



P.T.O.

গ) আধুনিকতাবাদী উপন্যাসৰ চৰিত্ৰৰ দুটা বৈশিষ্ট্য লিখা।
ঘ) পৰিৱেশমূলক সমালোচনাৰ দুজন প্ৰবক্তাৰ নাম উল্লেখ কৰা।
ঙ) অধি উপন্যাস (Metafication) বুলিলে কি বুজা?

3. **চমুকৈ উত্তৰ লিখা (যিকোনো দুটা)** 5x2=10
ক) মেদিনী চৌধুৰী
খ) চৈয়দ আব্দুল মালিকৰ উপন্যাসত মানবীয় আবেদন
গ) নাৰী আৰু সাহিত্য
ঘ) নদীকেন্দ্ৰিক অসমীয়া উপন্যাস

4. "অসমীয়া উপন্যাসৰ সমৃদ্ধিত মহিলা লেখক" শীৰ্ষক এটি চমু আলোচনা দাঙি ধৰা। 7

*নাইবা*

মহাকাব্যিক উপন্যাস কি? অসমীয়া উপন্যাস সাহিত্যত এনেধৰণৰ উপন্যাস পোৱা যায়নে? যুক্তিসহকাৰে এটি আলোচনা প্ৰস্তুত কৰা। 7

5. যথাযথ নিদৰ্শনসহ অসমীয়া উপন্যাসত নাৰীৰ সাহিত্যিক উপস্থাপন সম্পৰ্কত তোমাৰ মতামত ব্যক্ত কৰা। 7

*নাইবা*

যথাযথ উদাহৰণসহ অসমীয়া উপন্যাসত পৰিবেশ আৰু মানুহৰ সম্পৰ্ক কি ৰূপত ৰূপায়িত হৈছে চমুকৈ দাঙি ধৰা। 7

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ-

6. "কলাসুলভ মহত্ত্ব, কাব্যিক স্পন্দন, চৰিত্ৰ আৰু পৰিৱেশৰ ব্যঞ্জনাময় চিত্ৰণ, লোক সংস্কৃতিৰ মননশীল প্ৰয়োগ, গভীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনবীক্ষা আদিৰে সমৃদ্ধ 'জীৱনৰ বাটত' এখন অসাধাৰণ উপন্যাস।"
— যুক্তিসহকাৰে মন্তব্যটিৰ যথাৰ্থতা বিচাৰ কৰা। 12



7. "আধুনিকতাবাদী চিন্তাৰ আগমনে পৰম্পৰাগতভাৱে গ্ৰহণ কৰা উপন্যাসৰ বিষয়বস্তু, চৰিত্ৰাংকন, ভাষা, আংগিক ইত্যাদিবোৰ ধাৰণাৰ যথেষ্ট পৰিৱৰ্তন ঘটালে।'— 'কেঁচা পাতৰ কঁপনি' উপন্যাসখনৰ আধাৰত মন্তব্যটিৰ যথাৰ্থতা নিৰূপণ কৰা। 12

8. যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাসত প্ৰগতিশীল ভাৱধাৰা কিদৰে প্ৰকাশিত হৈছে আলোচনা কৰা। 12

9. অসমীয়া উপন্যাসৰ গতি প্ৰকৃতি সম্পৰ্কত এটি আলোচনা দাঙি ধৰা। 12

10. 'ধূসৰতাৰ কাব্য' উপন্যাসখনত শ্লেষ (irony), হাস্যাত্মকতা (humour) আৰু 'খেলা'ৰ ধাৰণা (playfulness) ৰ প্ৰয়োগ তথা ইয়াৰ প্ৰভাৱ সম্পৰ্কত এক সমালোচনাত্মক নিবন্ধ প্ৰস্তুত কৰা। 12

*****